হৰ্ষচৰিত আদি গ্ৰন্থই কুমাৰ ভাস্কৰবৰ্ম্মাক ভাৰতব্যাপী খ্যাতি দান কৰিছে। তাৰ পাচত ঊনৈচ শতিকাত অসমৰ প্ৰতিভাশালী পণ্ডিত আনন্দৰামে নিজৰ জ্ঞান আৰু একনিষ্ঠাৰ বলেৰে গোটেই ভাৰতত যশস্যা লাভ কৰিছে।

মহাত্মা মেধাবী পুৰুষসকলে দেশৰ পোনপাকে কিবা উপকাৰ কৰক বা নকৰক,আওপাকে এইটো উপকাৰ কৰি যায় যে সেই জাতিৰ অন্তৰ্নিহিত ভবিতব্যতা বা একেবাৰে ওথ খাপলৈকে উঁধাৰ পৰা শক্তি বা চৰম উৎকৰ্ষৰ সম্ভাৱনা আঙুলিয়াই দেখুৱাই যায়। আনন্দৰাম বৰুৱায়ো জগতৰ মহাসভাত অসমীয়া জাতিৰ এই মানসিক উৎকৰ্ষৰ সম্ভাৱনা ঘোষণা কৰি গৈছে। তেওঁ দেখুৱাই গৈছে যে অসমীয়া মানুহ সোপাচিলা অকামিলা বা অকল 'খৰিকটীয়া বা পানীতোলা' শ্ৰেণীৰ মানুহ নহয়। তেওঁলোকৰ মাজতো অসাধাৰণ মগজ লৈ মেধাবী পুৰুষৰ জন্ম হোৱাৰ সম্ভৱ। এই যে সম্ভাৱনাৰ জ্ঞান, এয়ে আমাৰ জাতীয় উন্নতিত বিশেষ সহায় কৰিব। তাহানি বীৰবৰ লাচিত বৰফুকনে সমৰক্ষেত্ৰত অসমীয়াৰ এক উৎকৰ্ষৰ সম্ভাৱনা কৈ গল, মহাপুৰুষ শঙ্কৰদেৱে আধ্যাত্মিক ক্ষেত্ৰত অসমীয়াৰ ভবিতব্যতা দেখুৱালে, মহামতি পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙ্গৰীয়াই ৰাজনৈতিক ক্ষেত্ৰত অসমীয়াৰ চৰম উৎকৰ্ষ দেখুৱাই থৈ গল, সেইদৰে আনন্দৰাম বৰুৱায়ো সাহিত্য ক্ষেত্ৰত লক্ষ্মী-সৰস্বতীৰ বৰপুত্ৰ হৈ অসমীয়াৰ ভবিতব্যতা দেখুৱাই থৈ গ'ল। আমি সেই দেখিয়েই আনন্দৰাম বৰুৱাক পূজা কৰিম; যদি কায়মনো-বাক্যে ইমান দিনে আমি তেওঁক পূজা কৰা নাই, এতিয়াৰে পৰা আমি তেওঁক পূজা কৰিম। কাৰণ তেওঁৰ অসাধাৰণ প্ৰতিভাশক্তিক পূজা কৰিবলৈ পূব আৰু পছিমৰ পণ্ডিতসভাই পিচ হোঁহোকা নাই; এনেস্থলত আমি যদি তেওঁক পূজা নকৰোঁ তেন্তে আমাৰ গাত উপকাৰীক অজগৰে খোৱা অক্তীণপাতকীৰ চেকা পৰিব।

যি লাই বাঢ়িব তাৰ দুপতীয়াতেই চিন। আনন্দৰাম বৰুৱা কলেজত সোমোৱাৰ দিন ধৰি তেওঁৰ প্ৰতিভাই সকলোৰে চিত্ত আকৰ্ষণ কৰিছিল। কলিকতা প্ৰেচিডেন্সী কলেজত তেওঁৰ সহপাঠি আছিল সুৰেন্দ্ৰনাথ বানাৰ্জ্জী, ৰমেশচন্দ্ৰ দত্ত, বিহাৰীলাল গুপ্ত, ত্ৰৈলোক্যনাথ বসু, প্ৰেমচান্দ ৰায়চান্দ বৃত্তিধাৰী কাৰ্ত্তিকচন্দ্ৰ মিত্ৰ আৰু হাইকোৰ্টৰ খ্যাতনামা উকীল উমাকালী মুখাৰ্জ্জী। তেওঁলোকৰ গুৰু আছিল দেশপূজ্য চাৰ গুৰুদাস বন্দ্যোপাধ্যায়। গুৰু শিষ্যৰ এনে অপূৰ্ব্ব ত্ৰিবেণী-সঙ্গম জগতত বিৰল, মাজত পূৰ্ণিমাৰ জোন, তাৰ কেওফালে যেন উজ্জ্বল তাৰকাবৃন্দই বেৰি আছে। এওঁলোকৰ প্ৰত্যেকেই দেশৰ বুৰঞ্জীত চিন ৰাখি থৈ যাব পাৰিছে। চাৰ গুৰুদাস তেওঁলোকৰ গণিত অধ্যাপক আছিল ঃ এই নক্ষত্ৰ-সভাৰ মাজত দুখুনী অসমৰ বুকুৰ পৰা গৈ আনন্দৰামে কিদৰে জিলিকিছিল তাৰ বিষয়ে চাৰ গুৰুদাসে আমাক নিজে কৈছে,— "১৮৬৫ খৃষ্টাব্দৰ প্ৰেচিডেন্সী কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণী উজ্জ্বল তাৰকাবৃন্দৰে ভৰপূৰ আছিল ; আৰু মিঃ বৰুৱা এই উজ্জ্বল ছাত্ৰবৃন্দৰ মাজত সবাতকৈ উজ্জ্বল আছিল।" চুম্বকে যেনেকৈ লোহাক টানে, এটি জ্যোতিষ্কই যেনেকৈ আন এটিৰ ফালে ঢাল খায়, তেনেকৈ মহামুভৱসকলৰ মাজত এটি বৈদ্যুতিক আকৰ্ষণী শক্তি আছে। এই দেশ-বিখ্যাত সহপাঠীসকলৰ লগত আনন্দৰাম বৰুৱাৰ যি বন্ধুত্ব হয় সি জীৱনব্যাপী আছিল। সেই কালত কবি নবীনচন্দ্ৰ সেন বৰুৱাদেৱৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হয়।

তাৰ পাচত আনন্দৰাম বৰুৱা বিলাতত থাকোঁতে কলিকতাৰ দাতাকৰ্ণ ব্যাৰিষ্টাৰ চাৰ তাৰকনাথ পালিত আৰু বোম্বাইৰ প্ৰথম চিভিলিয়ান শ্ৰীপদ বালাজী ঠাকুৰৰ লগত তেওঁৰ বিশেষ বন্ধুত্ব হয়। বিলাততো তেওঁৰ প্ৰতিভা জিলিকি উঠে ; লণ্ডন ইউনিভাৰ্চিটিৰ অধ্যাপক ডাক্তাৰ কাৰ্পেণ্টাৰে কৈছিল,—"মই ইমানদিন অধ্যাপকী কৰিলোঁ, কিন্তু

আনন্দৰাম বৰুৱাৰ নিচিনা অনুসন্ধিৎসু আৰু তত্ত্বগ্ৰহণেচ্ছু ছাত্ৰ মই এই পৰিমিতে পোৱা নাই।” তেওঁ আই-চি-এচ্ পৰীক্ষাৰ লগতে ব্যাৰিষ্টাৰী পৰীক্ষাও পাচ কৰি আহে, ইও কম গৌৰৱৰ কথা নহয়।

চিভিলিয়ান পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ কামত সোমায়। তাতো তেওঁৰ প্ৰতিভাশক্তি জিলিকি উঠে। তেওঁৰ পূৰ্ব্বে কোনো ভাৰতীয়ৰ ওপৰত জিলাৰ ভাৰ সমৰ্পিত হোৱা নাই। নোৱাখালী হেন ইযান ডাঙৰ জিলাৰ ভাৰ তেওঁৰ গাত আছিল। ৰমেশ দত্তৰ জীৱনী লিখক মিষ্টাৰ জে, এন গুপ্ত আই-চি-এচে কৈছে,—“ভাৰতীয় সকলৰ ভিতৰত আনন্দৰাম বৰুৱাই সৰ্ব্বপ্ৰথমে জিলাৰ কাৰ্য্যকৰী ভাৰ পায়।” আনন্দৰামৰ মনস্বিতাও সাধাৰণ থাপৰ নাছিল, এই মনস্বিতাৰ কাৰণে তেওঁ অসম এৰি বঙ্গদেশলৈ গুচি গল। এবাৰ চিটাগঙ্গ বিভাগৰ কমিচনাৰ মিষ্টাৰ ওৱেষ্টমেকট্ চাহাবৰ লগত কিবা কথাত মতান্তৰ হোৱাত বৰুৱাদেৱে উক্ত কমিচনাৰ চাহাবলৈ যি লিখি পঠিয়ায় তাৰ শাৰীয়ে শাৰীয়ে তেজস্বিতাৰ প্ৰকাশ,—“মিঃ ওৱেষ্টমেকট্ চাহাবে মনত ৰখা উচিত যে চিভিল চাৰ্ভিচৰ প্ৰলোভন বা ৰজাধৰীয়া কোনো ৰকম অপবাদে, যাক মই ন্যায় আৰু শুদ্ধ বুলি বিবেচনা কৰোঁ তাক সম্পাদন কৰাৰ পৰা মোক বিৰত কৰাব নোৱাৰে।” আমি শুনিছোঁ এই ঘটনাটো নোৱাখালীৰ মানুহৰ মুখে মুখে। এই তেজস্বিতাৰ গুণেৰে তেওঁ প্ৰজাৰ প্ৰিয়পাত্ৰ হৈছিল। কুমিল্লা জিলাৰ অন্তৰ্গত দোল্লাই পৰগণাৰ ‘বৰুৱা দীঘি’ আৰু ‘বৰুৱা বাজাৰে’ এতিয়াও তাক সমৰ্থন কৰিছে। আমি শুনিছোঁ বৰুৱাৰ নামেৰে নোৱাখালীত এটা বালিকা স্কুলো স্থাপন কৰা হৈছিল।

ইফালে যেনে বিদ্বান্ যেনে মনস্বী বৰুৱাদেৱ তেনে সবল আছিল। বিলাতত থাকোঁতে তেওঁৰ বন্ধু-বান্ধৱসকলে নাজানিছিল যে বৰুৱাদেৱে আই-চি-এচৰ বাহিৰে আন কিবা পৰীক্ষালৈ চেষ্টা কৰিছে। তেওঁ

খোটালীত পৰি থাকে ; যেতিয়াই কোনো বন্ধুৱে আহি দুৱাৰত টুকুৰিয়ায় বা 'নক্' কৰে তেওঁ ব্যস্ত হৈ আন পৰীক্ষাৰ কিতাপ আদি পোনতে লুকুৱাই থৈহে দুৱাৰ খুলি দিয়ে। ইও এক ৰকম সৰলতা, সৰু সৰু লৰাই যেনেকৈ লগৰ লগৰীয়াৰ মনত অনাভূৱাকৈ বিস্ময় জন্মাবলৈ বিচাৰে। তাৰ পাচত পক্ষাঘাত বেমাৰত পৰি যেতিয়া ছুটি লৈ তাৰকনাথ পালিতৰ ঘৰত থাকেহি, পালিতে নিতৌ কয়,—"মিঃ বৰুৱা, তুমি উইল কৰা।" কিন্তু বৰুৱাদেৱে উইল কৰিবলৈ কেতিয়াও স্বীকাৰ কৰা নাছিল, জানোচা উইলৰ অনুগামী মৃত্যুয়ে অব্যৰ্থভাৱে আক্ৰমণ কৰেহি। আমি এইবোৰ কথা স্বৰ্গীয় বৰুৱাৰ বহুদিনৰ বন্ধু চাৰ পালিতৰ নিজ মুখে শুনিছোঁ। আনন্দৰামৰ প্ৰিয়তম কবি শ্ৰীকণ্ঠ ভৱভূতিৰ কথা বাস্তৱিকে সঁচা, যে মহাত্মাসকলৰ মন বজ্ৰতকৈও কঠিন আৰু ফুলতকৈও কোমল।

স্বৰ্গীয় চাৰ তাৰকনাথ পালিতে আমাক আৰু এটা বৰ লাগতিয়াল কথা কৈছিল যে মিষ্টাৰ বৰুৱা বৰ কথকী নাছিল, নিজৰ পেটৰ কথা কাচিতো খুলি নকৈছিল, তেওঁ বৰ 'চাপা' আছিল। তেওঁ নীৰবে নিজৰ কাম কৰি যায়, কাৰো লগত বিশেষ হলিগলি নকৰে, কাৰো আগত পেটৰ কথা খুলি নকয়। পণ্ডিতপ্ৰবৰ আনন্দৰাম বৰুৱাই গোপালী নিমাতীদেৱীক উপাসনা কৰিছিল। তেওঁ অমুকটো কাম কৰিম বুলি জয়ঢোল কোবাই হুকুৰিছিল, তেওঁ কাৰ্য্যৰ পৰিণতিৰেহে আনৰ মনত বিস্ময় জন্মাবলৈ চেষ্টা কৰিছিল। কাৰণ, কোনো মনৰ প্ৰস্তাৱ বন্ধু-বান্ধৱৰ আগত মেলি ধৰিলে সি সমালোচনা আৰু মন্তব্যৰ কোবত ভোটা হৈ অহাটো সম্ভৱ। শিশুপ্ৰাণ বৰুৱাদেৱে এই সমালোচনা-যন্ত্ৰণা সহিব কেনেকৈ? সেইদেখি বৰুৱাদেৱৰ জীৱনকাহিনী যদি আজি অসম্পূৰ্ণ হব লগীয়া হয় ই তেওঁৰ নিমাতী স্বভাৱৰ প্ৰতিফল।

মিঃ বৰুৱা কথা-বাৰ্ত্তাত এইদৰে মৌন আছিল আৰু আত্মপ্ৰকাশৰ

চেষ্টা নকৰিছিল সঁচা কিন্তু খনচেৰেক কিতাপত সংস্কৃত শ্লোকৰে তেওঁ নিজৰ পৰিচয় দি গৈছে। গ্ৰন্থকাৰ বা কবিয়ে নিজৰ কিতাপত পদ্যেৰে ভণিতা লিখি পৰিচয় দিয়া পদ্ধতি অতি প্ৰাচীন। ৰক্ষণশীলসকলৰ মাজতহে এই প্ৰাচীন পদ্ধতি আজিলৈকে অৱলম্বিত হৈছে। পাশ্চাত্য সভ্যতাৰ জ্যোতিষ্কেন্দ্ৰ লণ্ডনত শিক্ষিত হৈ আৰু বি-এ, আই-চি-এচ্ আৰু ব্যাৰিষ্টাৰ উপাধি ধাৰণ কৰি মিষ্টাৰ বৰুৱাদেৱে নিষ্ঠাবান সংস্কৃত পণ্ডিতৰ দৰে এই আত্মপৰিচয় পদ্ধতিৰ অৱলম্বন কৰিছিল ইহে আচৰিত। মহাবীৰচৰিতৰ 'জানকীৰামভাষ্য'ত যেতিয়া তেওঁ লিখিলে

জানকীৰামসোদৰ্য্যো ভুৰ্লভাগৰ্গনন্দনঃ।
আনন্দৰাম বৰুৱা প্ৰাগ্জ্যোতিষ্পুৰসম্ভবঃ॥
ইংলণ্ডনগৰেন্দ্ৰস্য মধ্যায়তনবাদিনা।
ভাৰতেশ্বৰভৃত্যেণ চাৰিত্ৰমুজ্জ্বলীকৃতম্॥
আসীন্মে দয়িতো ভ্ৰাতা জানকীৰাম বিশ্ৰুতঃ।
পিত্ৰো প্ৰিয়তৰঃ পুত্ৰঃ প্ৰাগ্জ্যোতিষ্পুৰনন্দনঃ॥
অঙ্কে শব্দে পুৰাবৃত্তে লব্ধবিস্তীৰ্ণবোধনঃ।
স্বদেশস্য হিতে কাৰ্য্যে সদা প্ৰৱণমানসঃ॥

বা যেতিয়া তেওঁ বাণীবন্দনা কৰি লিখিলে

যস্যামাদিকবিঃ পবিত্ৰচৰিতং ৰামস্য দিব্যং ব্যধাৎ।
যস্যাশ্চিত্ৰৰসা বিচিত্ৰৰচনা ৰাভাতি কাদম্বৰী॥
ৰা ভাষ্যে গহনাং ধিয়ং বিতনুতেঽভীশং পৰাং শাঙ্কৰে।
জীৱ্যাৎ সাপ্ৰলয়ং সমুজ্জ্বলতৰা সংস্কাৰপূতা গিৰা॥

তেতিয়া কাৰ ভাবিবৰ শক্তি যে এই সংস্কৃত শ্লোকবোৰৰ লিখক চিভিলিয়ান মিঃ আনন্দৰাম বৰুৱা? ই যেন বিক্ৰমাদিত্য, শ্ৰীহৰ্ষবৰ্দ্ধন বা ভোজৰজাৰ সভাৰ কোনো ৰাজকবিৰ নিগূঢ় ভাবসমষ্টিৰ ছন্দোময় ঝঙ্কাৰ! জড়বাদী সভ্যতাৰ শীৰ্ষযুগ ঊনবিংশ শতিকাত জন্মগ্ৰহণ কৰিও বৰুৱাদেৱে

পুৰাণাদিত প্ৰসিদ্ধ প্ৰাগ্‌জ্যোতিষপুৰৰ উপযুক্ত সন্তান বুলি জগতত চিনাকী দিব পাৰিছিল। বিলাত-ফেৰৎ হৈয়ো তেওঁ আত্মবিস্মৃত নহৈছিল।

সংস্কৃত পণ্ডিতসকলৰ দৰে আনন্দৰাম বৰুৱাই আত্ম-পৰিচায়ক পদ্য সংস্কৃতত লিখিছিল। তাৰ উপৰিও তেওঁৰ আৰু এটি গুণ আছিল, সেয়ে হৈছে তেওঁৰ সমালোচনাশীল তুলনাশীল আৰু বিশ্লেষণশীল প্ৰতিভা। পাশ্চাত্য পাণ্ডিত্যৰ লগত ভাৰতৰ সংসৰ্গ হোৱাৰ পৰা এই প্ৰবৃত্তিৰ সোঁত ভাৰতলৈ বৰলৈ ধৰিলে। ইউৰোপীয় সুধীবৃন্দই সংস্কৃত আৰু পালীত লিখা প্ৰাচীন গ্ৰন্থাৱলী অধ্যয়ন কৰি তাৰপৰা বিশ্বমানৱৰ মনোবৃত্তিৰ উৎকৰ্ষ-সাধনৰ সম্বল পোৱৰলৈ উলিয়াবলৈ ধৰিলে। মহাকবি কালিদাসৰ 'শকুন্তলাই' যেতিয়া ইউৰোপীয় পণ্ডিত-সমাজত এটি নতুন যুগ উলিয়ায়, তেওঁলোকে তেতিয়াৰে পৰা বিশ্লেষণ কৰি সমালোচনা প্ৰবৃত্তিৰে সংস্কৃত সাহিত্য পঢ়িবলৈ ধৰিলে। ইউৰোপত সংস্কৃত সাহিত্যৰ প্ৰভাৱ বিস্তাৰ কৰোঁতাসকলৰ ভিতৰত চাৰ উইলিয়ম জন্স, কলব্ৰুক, মোক্ষমূলাৰ, উইল্‌কিন্স, কাৱেল, ওৱেবাৰ, হুইট্নি, হেমিল্‌টন, ওল্ডেন্‌বাৰ্গ, জেকবী, পল দিউচেন বা পলদেয়সেনা প্ৰভৃতি প্ৰধান। তেওঁলোকে সমালোচনা প্ৰবৃত্তিৰে সংস্কৃত সাহিত্য পঢ়িছিল, পঢ়ি তাৰ গুণাগুণ বিচাৰ কৰি সকলোৰে সন্মুখত বসৰ ভঁৰাল মেলি দিছিল। এয়ে নোহোৱা হলে আমাৰ বেদ, বেদাঙ্গ, দৰ্শন, উপনিষদ অকল শ্ৰোত্ৰিয়সকলৰ সম্পত্তি হৈ পুৰণি সাঁচিপতীয়া পুথিৰ পেৰাৰ মাজত লোমাই থাকিলহেঁতেন, জগতেও ভাৰতৰ অমূল্য ৰত্নৰাজিৰ গোৰৰ নাপালেহেঁতেন ; আমি ভাৰতীয়ই যি আধ্যাত্মিকতা লৈ গৌৰৱ কৰোঁ সেই গৌৰৱৰ পৰা আমি আজি বঞ্চিত হলোঁহেঁতেন। পূৰা কালৰ গ্ৰীক্‌দেশৰ দেৱতা প্ৰমেথিয়ছে যেনেকৈ স্বৰ্গৰ পৰা জ্ঞানৰ জুই আনি পৃথিৱীৰ মাটিৰ মূৰ্ত্তিকাক সঞ্জীৱিত কৰিছিল, সেইদৰে ইউৰোপৰ এই

জিজ্ঞাসা বা সমালোচনা প্ৰবৃত্তিয়ে ভাৰতীয় পাণ্ডিত্যৰ জড়ত্ব ভাঙি তাক অপূৰ্ব্বভাবে সঞ্জীবিত কৰিলে। তেতিয়াৰে পৰা ভাৰতীয় সাহিত্যৰ অন্তৰ্নিহিত সৌন্দৰ্য্য সকলোৱে উপলব্ধি কৰিবলৈ ধৰিলে। শিৱৰ তৃতীয় নেত্ৰৰ পৰা কুমাৰৰ জন্মৰ দৰে ভাৰতৰ বত্নাৱলীৰ পৰা জগতৰ সম্পদ বাঢ়িল।

ইউৰোপীয় পাণ্ডিত্যৰ এই জিজ্ঞাসা-প্ৰৱণতা লাহে-লাহে আহি ভাৰতবৰ্ষৰ উপকূল পালেহি। লাহে-লাহে ভাৰতৰ পণ্ডিতসকলেও নতুন দৃষ্টি লৈ প্ৰাচীন সাহিত্য পুৰাণ দৰ্শন আদি পঢ়িবলৈ ধৰিলে। তেওঁলোকৰ অনেকে হয়তো ইউৰোপৰ শিক্ষাকেন্দ্ৰত শিক্ষালাভ কৰিছিল, নাইবা ভাৰতত্তে থাকি ইউৰোপীয় সাহিত্য পঢ়ি সেই নতুন সমালোচনা পদ্ধতিৰ অৱতাৰণা কৰিছিল। এই নব্যসম্প্ৰদায়ৰ ভাৰতীয় পণ্ডিতসকলৰ ভিতৰত ৰমেশচন্দ্ৰ দত্ত, ৰামকৃষ্ণ গোপাল ভাণ্ডাৰকাৰ, ইন্দ্ৰজী ভৱানী, ৰাজেন্দ্ৰলাল মিত্ৰ আৰু আনন্দৰাম বৰুৱা প্ৰধান। ভাৰতীয় সাহিত্য-ক্ষেত্ৰত তেওঁলোকে এটি নতুন যুগ উলিয়ায়,—মৌলিক সাহিত্যৰ দ্বাৰা নহয়, সমালোচনামূলক সাহিত্যৰ দ্বাৰাই তেওঁলোকে ভাৰতৰ সাহিত্য আকাশত নতুন জেউতিৰ আবিষ্কাৰ কৰে; সেইদেখি তেওঁলোকৰ পূজা ভাৰতব্যাপী। তেওঁলোকৰ ভিতৰত একেবাৰে একানপতীয়াকৈ যদি কোনোবাই সংস্কৃত সাহিত্যৰ পূজা কৰিছিল তেন্তে তেওঁ আছিল আমাৰ আনন্দৰাম বৰুৱা। গতিকে তেওঁ ভাৰতীয় সাহিত্যৰ এই নতুন যুগৰ পুৰোহিত বুলি ভাৰতৰ সাহিত্যসেৱকৰ পৰা পূজা পাই থাকিব।

এই খিনিতে বহুতে কব পাৰে—"আনন্দৰাম বৰুৱাই চিৰ-চহকী সংস্কৃত সাহিত্যৰ যোগান নধৰি দুখীয়া অসমীয়া সাহিত্যৰফালে মন-কাণ নিদিলে কিয়?" আনন্দৰাম বৰুৱাক যদি আমি অসমীয়া সাহিত্য-সেৱকৰ শ্ৰেণীৰ পৰা হেৰুৱালোঁ তেন্তে ই আমাৰ সাহিত্যৰ দুৰৱস্থাৰে দুৰ্ভাগ্য। তেওঁৰ নিচিনা প্ৰতিভাশালী পুৰুষৰ কৰ্ম্মভূমিৰ কাৰণে

অসমীয়া সাহিত্যৰ সংকীৰ্ণ ক্ষেত্ৰ সুচল নাছিল ; ইয়াত নাই মোলবুজা, নাই প্ৰকৃত সমালোচনা, নাই আগ্ৰহভৰা 'সমজদাৰ' পাঠকশ্ৰেণী, আনন্দৰামৰ গোটেই জীৱন পেলনি গলহেঁতেন। সেইদেখি তেওঁৰ প্ৰতিভাৰ নিমিত্তে সুবিশাল কৰ্ম্মক্ষেত্ৰ উলিয়াই লবলৈ তেওঁ বাধ্য হ'ল। আমি আজিকালিও জনচেৰেক ওখশ্ৰেণীৰ সাহিত্য-সেৱকৰ মুখে শুনিছোঁ যে দুৰ্ভাগ্যবশতঃহে তেওঁলোকে অসমীয়া সাহিত্যৰ সেৱা কৰি নিজৰ ঠেং ছুটি কৰিলে, অন্যান্য উন্নত সাহিত্যৰ সেৱা কৰিবলৈ পোৱা হলে তেওঁলোকৰ ইহকালীন পৰকালীন খ্যাতি আৰু সমৃদ্ধিৰ বাট-পথ আৰু সুচল হলহেঁতেন। ই কোনো দেশ-বৈৰী অজীনপাতকীৰ ভাব নহয়, জগতৰ উন্নত সাহিত্যৰ যেতিয়া আমি অঙ্গীভূত নহওঁ যেন লাগে সকলোৰে মনত তেনে ভাব অহাটো স্বাভাবিক। প্ৰতিভাই নিজৰ কৰ্ম্মক্ষেত্ৰ বাচি লব, আনন্দৰাম বৰুৱায়ো তেওঁৰ প্ৰতিভাৰ সুচলক্ষেত্ৰ বাচি ললে। সৰুৰে পৰা তেওঁ সংস্কৃত পঢ়িছিল, লৰাকালত তেওঁক সংস্কৃত পঢ়াবলৈ এজন অধ্যাপক বিশেষকৈ নিযুক্ত কৰা হৈছিল, কলিকতাত থাকোঁতে সংস্কৃত কলেজৰ বিৰাট সংস্কৃত লাইব্ৰেৰী তেওঁ উপাস্ত কৰিছিল, বিলাতত থাকোঁতে বৃটিচ মিউজিয়মৰ সংস্কৃত গ্ৰন্থাৱলী এখন-এখনকৈ শেষ কৰিছিল, অক্সফোৰ্ডত ভট্ট মোক্ষমূলাৰৰ লগত দেখা সাক্ষাৎ কৰি বৈদ্যুতিক আকৰ্ষণীৰে আকৃষ্ট হৈছিল, তেওঁ কল্পনা সাৰথি কৰি ভাৰতৰ অতীত গৌৰৱৰাশিৰ মাজত বিচৰণ কৰিছিল, এনেস্থলত তেওঁৰ পক্ষে সংস্কৃত সাহিত্যৰ সোৱাদ এৰাটো বৰ টান হল। আৰু সেই সময়ত বিলাতফেৰ্ত্তা সকলৰ মাজত অতি কমেহে মাতৃভাষাৰ চৰ্চ্চাত লাগিছিল। ৰমেশ দত্তই পোনতে ইংৰাজী সাহিত্যৰ উপাসনা কৰিছিল। বঙ্কিমচন্দ্ৰই যিদিন তেওঁক কলে, "তোমাৰ নিচিনা প্ৰতিভাশালী পুৰুষে যি লিখা সেয়ে সাহিত্য", সেই মুহূৰ্ত্তৰ পৰা ৰমেশচন্দ্ৰৰ প্ৰতিভা বঙ্গীয় সাহিত্যৰ ফালে চাল খালে। তাৰ ফলত আজি 'বঙ্গবিজেতা', 'মাধবীকঙ্কন',

'ৰাজপুত জীৱনসন্ধ্যা', 'মহাৰাষ্ট্ৰ জীৱনপ্ৰভাত' প্ৰণেতা ৰমেশচন্দ্ৰ দত্তই বঙ্গীয় সাহিত্য-সমাজত ওখ আসন লাভ কৰিছে। আমাৰ কোনো অসমীয়া বঙ্কিমচন্দ্ৰই আনন্দৰামৰ প্ৰতিভাৰ সোঁত অসমীয়া সাহিত্যৰ ফালে বোৱাব নোৱাৰিলে কিয় ? ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই কৰিছিল কি ? হয়তো লোকৰ মনৰ ওপৰত নিজৰ মনৰ প্ৰভাৱ বিস্তাৰ কৰিব পৰা কোনো বঙ্কিমচন্দ্ৰই অসমীয়াৰ মাজত নাছিল।

আনন্দৰাম বৰুৱাই অসমীয়া সাহিত্যত যোগ নিদিলে সঁচা, কিন্তু তেওঁ অসমক পাহৰা নাছিল। তেওঁৰ অভিধানৰ বহুত ঠাইত অসমৰ উল্লেখ আছে, কেবা ঠাইতো ইংৰাজী শব্দৰ উপযুক্ত সংস্কৃত প্ৰতিশব্দৰ অভাৱত অসমীয়া শব্দৰে তেওঁ তাৰ ভাব বুজাইছে। প্ৰাচীন কামৰূপ বা প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ ক'ৰবাত উল্লেখ পালেই তাক তেওঁ মহা আগ্ৰহেৰে ব্যাখ্যা কৰিছিল। আৰু আমি শুনিছোঁ মাতৃভাষা অসমীয়া সাহিত্যৰ উন্নতি সাধিবলৈ তেওঁৰ ইচ্ছা আছিল, কিন্তু তেওঁৰ অকাল মৃত্যুতে সকলো নষ্ট হল।

'ভাৰতত অশান্তি' গ্ৰন্থ প্ৰণেতা চাৰ ভেলেণ্টাইন চিৰলে কৈছে,— "মিঃ গোখেল বৃটিছৰ আমোলৰ সৰ্ব্বশ্ৰেষ্ঠ ভাৰত সন্তান।" আমিও কব পাৰোঁ মিঃ আনন্দৰাম বৰুৱা বৃটিছৰ আমোলৰ সৰ্ব্বশ্ৰেষ্ঠ অসম-সন্তান ; ইয়াৰ মূল কাৰণ, তেওঁৰ গাত এটা লক্ষণ আছিল সেইটো আইন অসমীয়াৰ গাত নাই, এয়ে হৈছে তেওঁৰ একাগ্ৰতা। অতি কোমল বয়সতে তেওঁ যি জ্ঞানৰ অমৃত-পানত মন দিলে মৃত্যুৰ কাললৈকে তাৰ পৰা তেওঁ মুৰ দঙা নাছিল। নিজৰ জ্ঞানাৰ্জ্জনব্ৰতত কিবা বিঘিনি ঘটে বুলি তেওঁ বিয়াকে কৰা নাছিল। তেওঁৰ অতুল ঐশ্বৰ্য্য এনেই এলাই-এথানি হৈ পৰি থাকিল, তাক ভোগ কৰিবলৈ কোনো নোলাল। এই একাগ্ৰতাৰ কাৰণে তেওঁ ইমান দায়িত্ব থকা

মাজিষ্ট্ৰেটৰ কাম কৰিও গ্ৰন্থ ৰচনাৰ কাৰণে সময় পাইছিল। আৰু সেই গ্ৰন্থ কেনে? সি ক্ষণস্থায়ী গীতি-উচ্ছ্বাস নহয়, তাক লিখিবলৈ তেওঁ গোটেই সংস্কৃত-সাহিত্য-সমুদ্ৰ মন্থনৰ দৰ্কাৰ পৰিছিল। ক'ত কোনটো শ্লোকত কি সিদ্ধান্ত-সাপেক্ষ বিশেষত্ব আছে, সেইবোৰ ঘাতি উলিয়াবলৈ তেওঁ অবিচ্ছিন্নভাবে পঢ়িব লগাত পৰিছিল। দেশৰ হিত কাম কৰিবলৈ কাৰোবাক অনুৰোধ কৰিলে আমাৰ বহুতে সময়ৰ অভাব বুলি আপত্তি দেখুৱায়, এনেহে অনুমান হয় যেন সময় পোৱা হলে তেওঁলোকে কিজানি গোটেই হিমালয় পৰ্ব্বতটোকে দাঙ্গি আনি ব্ৰহ্মপুত্ৰৰ বুকুত থিয় কৰালে-হেঁতেন। যিসকলে সময়ৰ মূল্য বুজে তেওঁলোকে সময় নাই বুলি আতাহ নেপাৰে, তেওঁলোকক 'ৰঙ্গাফিটা' আৰু 'নীলা পুথি'ৰে আগুৰি থাকিলেও তেওঁলোকে দেশৰ কাম কৰিবলৈ সময় কৰিব পাৰে। ৰমেশ দত্ত আৰু আনন্দৰাম বৰুৱা ইয়াৰ জ্বলন্ত দৃষ্টান্ত।

আনন্দৰাম বৰুৱা ভিতৰুৱা জীৱনত কেনে আছিল তাৰ বিষয়ে সবিশেষ জানিবৰ একো উপায় নাই। তেওঁ বৰ গম্ভীৰ প্ৰকৃতিৰ মানুহ আছিল, কাৰো লগত ৰৰৈক মাতবোল নকৰিছিল। তেওঁৰ নিজা পণ্ডিতসভা আছিল। পণ্ডিত-মণ্ডলীৰ লগত সাহিত্য আলোচনা কৰোঁতেই তেওঁৰ বেচি ভাগ সময় গৈছিল। এই পণ্ডিত-সভাৰ অন্যতম সভ্য পণ্ডিতপ্ৰবৰ মহামহোপাধ্যায় অন্নদাচৰণ তৰ্কচূড়ামণি আজিও কাশীত আছে। এওঁলোকৰ প্ৰত্যেককে তেওঁ মাহে এশ ডেৰ-শ টকাৰ কমে বানচ নিদিছিল।

আনন্দৰাম বৰুৱা ঢুকাওঁতে অসমত এটি ভীষণ হাঁহাকাৰ শুনা গৈছিল। ভাৰতৰ অন্যান্য ঠাইতো সকলোৱে আক্ষেপ কৰিছিল এনে বহুমূলীয়া জীৱনটি অকালতে কালে হৰি নিলে। চাৰ গুৰুদাস বন্দ্যোপাধ্যায়ে তেওঁৰ প্ৰিয়তম ছাত্ৰৰ বিয়োগ বাৰ্ত্তা শুনি কান্দি পেলালে। 'ষ্টেট্‌চ মেন,' 'বেঙ্গলী', 'ইণ্ডিয়ান মিৰাৰ' প্ৰভৃতি কাকতত

তেওঁৰ বিয়োগ বাতৰি জগতত প্ৰচাৰ কৰা হৈছিল। তাৰ পাচ বছৰত ইউনিভাৰ্চিটিৰ বছেৰেকীয়া অধিবেশনত ভাইচ্ চেন্সেলাৰ চাৰ (তেতিয়া ডাক্তৰ) গুৰুদাস বন্দ্যোপাধ্যায়ে তেওঁৰ বক্তৃতাত শোক প্ৰকাশ কৰে। বঙ্গৰ সুপ্ৰসিদ্ধ লেখক ঠাকুৰদাস মুখোপাধ্যায়ে 'সাহিত্য'ত বিশেষভাবে দুখ কৰি প্ৰবন্ধ লিখে, কেম্ব্ৰিজৰ অধ্যাপক বৃটিচ মিউজিয়মৰ এজন সম্পাদক আৰু বৰুৱাদেৱৰ বিশেষ বন্ধু মিঃ চেচিল বেণ্ডেলে 'ট্ৰুব্নাৰ্চ ৰিকৰ্ড' নামে কাকতত বৰুৱাদেৱৰ প্ৰতিভাৰ আলোচনা কৰি দীঘল প্ৰবন্ধ লিখে।

কিন্তু আমি অসমীয়াই কৰিছোঁ কি? এঠাই কি দুঠাইত বৰুৱাদেৱৰ ছবি আৰিয়েই আমি সন্তুষ্ট আছোঁ, ঠায়ে ঠায়ে হয়তো মাজে মাজে এখন দুখন স্মৃতি-সভাও পাতিছোঁ। তাৰ বাহিৰে আমি কৰিছোঁ কি? বৰুৱাৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবলৈ তেওঁৰ নামে বৃত্তি আদি দিয়া নহয় কেলেই? আমাৰ জাতীয় শিক্ষাকেন্দ্ৰ য'ত অসমীয়াৰ ভবিষ্যত-আকাশৰ তৰাবৃন্দ জিলিকি আছে—কটন কলেজ্ৰত আনন্দৰামৰ প্ৰস্তৰ প্ৰতিমূৰ্ত্তি থোৱা নহয় কিয়? ইয়াৰ কাৰণে আমাৰ চহকী মানুহৰো অভাৱ নাই। এইবোৰে অন্ততঃ অসমীয়া মানুহৰ অন্তৰত আনন্দস্মৃতি চিৰকাল জাগৰিত কৰি ৰাখিব। হয়তো তেনে আদৰ্শৰ ৰশ্মিপাত হলে আমাৰ অনুৰ্ব্বৰ অসম-মৰুভূমিতো এপাহি-দুপাহি আনন্দ-মালতী জুনাই ফুলিব পাৰে।

# পূৰ্ব্বপুৰুষ আৰু লৰাকাল

অসমীয়াৰ গৌৰৱমণি পণ্ডিতপ্ৰবৰ চিভিলিয়ান আনন্দৰাম বৰুৱাই কামৰূপৰ উত্তৰ গুৱাহাটীৰ মজিন্দাৰ বৰুৱা বংশক উজ্জ্বল কৰি থৈ গৈছে। এই বংশৰ আদি-পুৰুষ মানিকচন্দ্ৰই চুথাম্‌ফা খোৱাৰজাৰ দিনত বৰকাকতিৰ বাব লৈ উজনীৰ গড়গাৱঁত বাস কৰিছিল। তেওঁৰ নাম পূৰ্ব্বে দুৰ্গাচৰণ বসু আছিল, তেওঁ গৌতম ঋষি গোত্ৰৰ মানুহ আছিল।

১৪৭৭ শকৰ আহাৰ মাহত কোচবেহাৰৰ ৰজা নৰনাৰায়ণে আমাৰ স্বৰ্গদেৱলৈ কেচুৰ বসেৰে লিখি এখনি চিঠি দিয়ে। কিন্তু পাত্ৰ-মন্ত্ৰী কোনেও সেই চিঠিৰ আখৰ মাতিব নোৱাৰিলে, পাচত দুৰ্গাচৰণে চাকিৰ পোহৰ গুচাই আন্ধাৰত সেই চিঠি পঢ়িবলৈ ধৰিলে। কেচুৰ ৰসেৰে লিখা আখৰ আন্ধাৰত জিলিকি উঠিল। ইয়াকে দেখি স্বৰ্গদেৱ খোৱাৰজাই দুৰ্গাচৰণৰ বুদ্ধিক বৰকৈ প্ৰশংসা কৰিলে, আৰু তেওঁক মজিন্দাৰ খিতাপ দিলে। আৰু কোনেও মনিব নোৱাৰা আখৰ তেওঁ বুদ্ধি লগাই মাণিক হেন উজ্জ্বল কৰি পঢ়িব পৰাৰ গতিকে তেওঁৰ নাম মাণিকচন্দ্ৰ থলে। ইয়াৰ উপৰিও ৰজাৰ ঘৰৰ পৰা তেওঁ মাটী আৰু বন্দী-বেটী পালে; আৰু আগলৈ সেই বংশৰ কোনো মানুহে ডাঙৰ অপৰাধ কৰিলেও প্ৰাণদণ্ড নেপাব এনে ভাবৰ অনুগ্ৰহ কাকত দিলে। মাণিকচন্দ্ৰৰ জীৱনত যে এই বুদ্ধিৰ পৰিচয় পালেঁ। সেই বুদ্ধি তেওঁৰ সন্তি-সন্ততিৰ গাত পূৰ্ণমাত্ৰা জিলিকি-ছিল। মাণিকচন্দ্ৰৰ তিনটি পুতেক, দামোদৰ বৰুৱা, মাটিখোৱা আৰু পৰশুৰাম। দামোদৰৰ সন্তান দ্বিতীয়া বৰকাকতি, তেওঁৰ সন্তান সহজানন্দ, সহজানন্দৰ সন্তান দশৰথ, দশৰথৰ সন্তান কমললোচন,

কমললোচনৰ সন্তান বন্ধুৰাম মজিন্দাৰ বৰুৱা, বন্ধুৰামৰ সন্তান ৰঘুনাথ, ৰঘুনাথৰ সন্তান চিভিলিয়ান আনন্দৰামৰ পিতৃদেৱ গৰ্গৰাম মজিন্দাৰ বৰুৱা।

কোচানৰ ৰজা নৰনাৰায়ণে স্বৰ্গদেৱৰ খোৱাৰজালৈ কটকী পঠোৱা সম্বন্ধে কেবাখনো হাতে-লিখা অপ্ৰকাশিত অসমবুৰঞ্জীত আমি বিশেষ উল্লেখ পাইছোঁ। ইয়াৰ মৰ্ম্ম এই,—কোচ কটকী চাৰিজনৰ নাম আছিল উদ্ভণ্ড চাউলীয়া, শ্যামৰায় চাউলীয়া, কালকেতু চৰ্দ্দাৰ আৰু ধুমা চৰ্দ্দাৰ, আৰু কটকীৰ লগত আমাৰ ৰজালৈ এইবোৰ বস্তু আহিছিল,—গাৰু এটা, কাময়ন ধেনু এখন, চেং মাছ এটা, ঘোৰা দুজনী, ৰৱনগৰীয়া বিচিত্ৰ পাটৰ শাৰী পাঁচখন, লাল দৈয়েৰে তিনিচুকীয়া সুন্দৰকৈ বোৱা জাকৈ এখন, সহজে মাতিব নোৱাৰা অৰ্থাৎ কেচুৰ ৰসেৰে লিখা সন্দেশ-পত্ৰ এখন। এইবোৰ বস্তুৰ প্ৰত্যেকটোৰে এটি নহয় এটি বৈচিত্ৰ্য আছিল,—গাৰুটোৰ গিলিপ মানুহৰ ভুৰৰ চালেৰে নিৰ্ম্মিত, ধেনুখনৰ আগগুৰি ধৰিব নোৱাৰি, চেং মাছটোৰ উৎপত্তিৰ ঠাই কোনেও নিৰ্ণয় কৰিব নোৱাৰিলে, দুজনী ঘোৰাৰ এজনী মাক এজনী জীয়েক। শাৰীৰ বিষয়ে ৰজগোহাঁয়ে কলে,—"আমাৰ দেশত খাৰ্চ্ছাই মাইকীবোৰেহে শাৰী পিন্ধে, কটকী হৈ তিৰুতাৰ সাজ লৈ আনিবলৈ লাজ নালাগিলনে?" জাকৈখন থাউনি পানীত হে বাব পাৰি, আথাউনি পানীত নোৱাৰি। ১৪৭৮ শকৰ আষাঢ়ৰ ১০ তাৰিখে কটকীক সিয়া মেখেলা আৰু শাৰী, আৰু অন্যান্য বস্তু বঁটা দি আমাৰ স্বৰ্গদেৱে বিদায় দিলে। সন্দেশ পত্ৰখন মাতিব পৰা কাৰণে অসমৰ ৰৰকাকতচোৰা কাইথ জনক মাণিক নাম দি বঁটা-প্ৰসাদ দিয়া হল। বুৰঞ্জীত আছে,—"এই ভূলতা নিৰ্ম্মিত পত্ৰখান ৰৰকাকতচোৰা দুৰ্গাচৰণে ৰাত্ৰি আৰিয়া গুচাই মাতিলে, দিবসত নেদেখি। পাচে মহাৰাজে ৰৰকাকতচোৰাক মাণিক নাম দি বোলে,—"ৰাতিয়ে যে জলিল ইয়াৰ নাম মাণিক থাকক।" নাম দি

মাটি-মানুহ বঁটা-প্ৰসাদ দিলে, আৰু বোলে,—আৰ বংশক দায় পালেও মাৰিব কাটিব নেপায়। পাচতহে মজুন্দাৰ নাম প্ৰসিদ্ধ হল।"

এই মাণিকচন্দ্ৰৰ বংশধৰ গৰ্গৰাম বৰুৱা অসম ৰজাৰ শেষ মজিন্দাৰ বৰুৱা আছিল। বংশত উপযুক্ত মানুহ নথকাত সৰু বয়সতে গৰ্গৰামে মজিন্দাৰ বৰুৱাৰ বাব লয়। মানৰ আক্ৰমণৰ সময়ত মানইঁতে গৰ্গৰামক ধৰি লৈ যায়; কিন্তু বুদ্ধিমন্ত গৰ্গৰামে মানৰ হাতৰ পৰা পলাই সাৰে। মানেও তেওঁক বৰুৱা খিতাপ দিয়ে। লবাকালতে বৰুৱাৰ বাব পোৱাৰ গতিকে গৰ্গৰাম 'পোৱালী বৰুৱা' বুলি জনাজাত হৈছিল।

গৰ্গৰাম বৰুৱাই বৃটিচৰ আমোলত সদৰ-আমিনৰ কাম কৰিছিল। সেই সময়ৰ সদৰ-আমিনৰ বাব আজি কালিৰ মুন্সিফ কামৰ নিচিনা আছিল। অসমত ইংৰাজৰ আমোলৰ আদিছোৱাত সজবংশৰ মানুহ বাচি বাচি তেওঁলোকক ৰজাঘৰীয়া ডাঙৰ ডাঙৰ বিষয় দিয়া হৈছিল। ইংৰাজী শিক্ষাৰ সিমান বিস্তাৰ হোৱা নাছিল। ওখ পদ পাবলৈ হলে ইমান ইংৰাজী শিক্ষাৰ আৱশ্যকো নাছিল। সহজ বুদ্ধি আৰু অভিজ্ঞতাই তেওঁলোকক যথেষ্ট সহায় কৰিছিল। মহাত্মা আনন্দৰাম ঢেকিয়াল ফুকনেহে পোন প্ৰথমতে অসমলৈ পছিমীয়া শিক্ষাৰ পোহৰ আনে।

গৰ্গৰাম বৰুৱা প্ৰাচীন ধৰণৰ মানুহ আছিল। দেশৰ আচাৰ-নীতি চাল-চলনত তেওঁৰ বৰ আস্থা আছিল। তেওঁ সংস্কৃতত সুপণ্ডিত আছিল।

সদৰামিন ডাঙৰীয়াই দুগৰাকী ভাৰ্য্যা বিবাহ কৰায়। প্ৰথম গৰাকী স্বৰ্গীয়া দুৰ্লভেশ্বৰী বৰুৱানী স্বৰ্গীয় বলাইৰাম বৰুৱা মৌজাদাৰৰ জীয়াৰী আছিল। বলাইৰাম দুৱৰা বংশৰ মানুহ, আৰু তেওঁৰ আদি ঘৰ উজনী-খণ্ডত আছিল। বলাইৰামৰ পুতেক ভৱাম বৰুৱা; ভৱাম বৰুৱাৰ পুতেক শ্ৰীযুত পোনাৰাম বৰুৱা এতিয়াও জীৱিত আছে। নলবাৰী মহকুমাৰ অধিপতি হৈ থাকোঁতে গৰ্গৰাম বৰুৱা ডাঙৰীয়াই বঙ্গালীত পূৰ্ণিমা নামে এগৰাকী কন্যাক বিবাহ কৰায়। এই কন্যা কড়ালৰ বংশৰ আছিল।

কড়ালৰ আদি ঘৰ নগাঁৱত। তাৰে এটা ঠাল মানৰ দিনত ভাগি গৈ বজালীত বসতি কৰিছিল। পূৰ্ণিমাৰ বিয়াৰ সময়ত দুৰ্লভেশ্বৰী উত্তৰ গুৱাহাটীত আছিল।

গৰ্গৰাম বৰুৱাৰ ঔৰসে দুৰ্লভেশ্বৰী বৰুৱানীৰ গৰ্ভত ১৭৭২ শকৰ জেঠ মাহ, ইংৰাজী ১৮৫০ খৃষ্টাব্দৰ মে মাহত উত্তৰ গুৱাহাটী ৰজাদুৱাৰত আনন্দৰাম বৰুৱাৰ জন্ম হয়। দুৰ্লভেশ্বৰী বৰুৱানীৰ ফালৰ চাৰিটি সন্তান,—পৰশুৰাম, জানকীৰাম, আনন্দৰাম আৰু মণিৰাম; সদৰামিন ডাঙ্গৰীয়াৰ দ্বিতীয়া ভাৰ্য্যা পূৰ্ণিমাৰ ফালৰ আত্মাৰাম, অমৃতৰাম, কেশৱৰাম। এওঁৰ আৰু এটি সন্তান ছমাহ বয়সতে ঢুকায়।

আনন্দৰামে যিঠাইত জন্মগ্ৰহণ কৰি তাক উজ্জ্বল কৰি গৈছে ঐতিহাসিক হিচাবে তাৰ নিচিনা ঠাই অসমত অতি বিৰল। এই উত্তৰ গুৱাহাটীৰ একোণত এটি গিৰি-শৃঙ্গত ভাৰত-প্ৰসিদ্ধ তীৰ্থ অশ্বক্ৰান্ত মন্দিৰ, আন একোণত মহানদ ব্ৰহ্মপুত্ৰৰ সুমহান দৃশ্য সম্মুখত লৈ মণিকৰ্ণিকেশ্বৰ দেৱালয় বিৰাজমান। ঠায়ে ঠায়ে শিলৰ গাত যোগনিদ্ৰা নিমগ্ন অনন্ত ব্ৰহ্মা, আৰু ব্ৰহ্মাণ্ডৰ সংহাৰিকা শক্তিৰ অৱতাৰিণী নৃত্যকালীৰ মূৰ্ত্তি। কিছুদূৰ আঁতৰত এথনি গাৰত মহাপৰাক্ৰমী বখ্‌তিয়াৰ খিলিজিয়ে নিৰ্ম্মাণ কৰা শিলৰ সাকো এতিয়াও আছে। আনন্দৰামৰ জন্মঠাই উত্তৰ গুৱাহাটীৰ এমূৰত থকা ৰজাদুৱাৰ অসমৰ প্ৰাচীন কীৰ্ত্তি কাহিনীৰে ভৰপূৰ। ওচৰত কামৰূপ আৰু কমতাৰাজ্যৰ সীমা নিৰ্দ্ধাৰিণী বৰনদী। ৰজাদুৱাৰৰ কাষৰতে সুপ্ৰসিদ্ধ ফুলুঙ্গৰ গঁড়। এই ঠাইতে অসম আৰু মুছলমানৰ কেবাবাৰো যুদ্ধ লাগে, কিন্তু এবাৰো অসমীয়াৰ বলবীৰ্য্য পৰাস্ত কৰি গঁড় পাৰ হৈ শত্ৰুসেনা নগৰ সোমাব পৰা নাছিল। এই গঁড়ৰ মূৰতে সুপ্ৰসিদ্ধ কানাইবৰশী শিল; তাৰ গাত লিখা আছে—দিল্লীৰ সম্ৰাট আওৰংজেবৰ সেনানায়ক চৈয়দ ফিৰোজক বধি নামজ্বলা অসমীয়া সেনাপতিসকলে এই গঁড় নিৰ্ম্মিলে। কানাইবৰশী শিলৰ

অৰুণ নামনীত গঁড়ৰ গাত থকা এটা শিলত লিখা আছে—১১২৭ শকত কামৰূপলৈ আহি তুৰুষ্ক সেনা অৰ্থাৎ যৱনসকল ক্ষয়প্ৰাপ্ত হয়। এই বৰ্জাতুৱাৰৰ কাষতে আজি প্ৰায় দুশ বছৰৰ আগেয়ে মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱে বঙ্গদেশ আক্ৰমণ কৰি হিন্দুৰ পবিত্ৰ গঙ্গা নিজ দেশৰ মাজত বোৱাবৰ মনেৰে বিস্তৰ সৈন্যসামন্ত টোপ-হিলৈ লৈ কিছুদিন বাস কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁৰ সেই ঠাইতে মৃত্যু হল। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ মৈদামৰ ওপৰত নিৰ্ম্মিত ৰুদ্ৰেশ্বৰ গাৱঁৰ ৰুদ্ৰেশ্বৰ দেৱালয়ে এতিয়াও তাৰ চিনাকী দিছে। বৰ্জাতুৱাৰত ব্ৰহ্মপুত্ৰৰ দাঁতিৰ এটি পাহাৰৰ টিলাত বৰ্ত্তমান চৰ্কাৰী ইন্‌স্পেকচন বঙ্গলা সজা হৈছে। সেই ঠাইৰ পৰা লুইতৰ আৰু অন্যান্য ঠাইৰ এটি ভাল দৃশ্য দেখা পোৱা যায়। সেই ঠাইত আগৰ দিনত কুমাৰহৰণৰ কবি শ্ৰীচন্দ্ৰ ভাৰতীৰ নামে এটি মণ্ডপ নিৰ্ম্মিত হৈছিল। তাৰ তলত বহি আবকালি প্ৰজাবৃন্দই ব'দ লৈছিলহি, আৰু জহকালি ব্ৰহ্মপুত্ৰৰ শীতল বায়ুৰ দ্বাৰা নিজৰ শৰীৰ শাঁত কৰিছিল। এডুখৰি শিলত অতি সুন্দৰকৈ লিখা এফাঁকি সংস্কৃত শ্লোকে এই কথাষাৰ প্ৰমাণ কৰিছে।

উত্তৰ গুৱাহাটী পৰিদৰ্শন কৰিলে অসমীয়া মাত্ৰৰে মন অতীতৰ গৌৰৱ-স্মৃতিৰে আপ্লুত নহৈ নোৱাৰে। আনন্দৰামৰ সৌভাগ্য তেওঁ এই বৰ্জাতুৱাৰত জন্মগ্ৰহণ কৰিছিল। তাতোকৈ সৌভাগ্যৰ কথা এই যে যি বৰ্জাতুৱাৰত ইমান অসমীয়াই বলবীৰ্য্যৰ চানেকী দেখুৱাই গৈছে সেই বৰ্জাতুৱাৰতে জন্মগ্ৰহন কৰি আৰু এজন অসমীয়াই জগতত অক্ষয় কীৰ্ত্তি থাপি যাব পাৰিলে।

গৰ্গৰাম সদৰামিন ডাঙৰীয়াই যত্ন কৰি সৰুৰে পৰা তেওঁৰ সন্তান সকলক এজন সংস্কৃত অধ্যাপক ধৰি সংস্কৃত শিকাইছিল। এই পণ্ডিতজন উপৰৰভাগ মৌজাৰ মৰোৱা গাৱঁৰ মানুহ আছিল; নাম হৰগোবিন্দ শৰ্ম্মা। এওঁ সদৰামিনৰ ঘৰত থাকি পূজাপাতল কৰি নীতিনিময় পালিছিল।

আনন্দৰামে সৰুকালত তাকে দেখি মাটিৰ প্ৰতিমা সাজি ফুলতুলসী দুৰ্ব্বাৰে সেই মূৰ্ত্তিক সমনীয়া লৰাৰ লগত পূজা কৰিছিল। একেবাৰে বাল্যাৱস্থাত এই খেমালিতহে আনন্দৰামৰ বেচি ৰাপ আছিল। হৰগোবিন্দৰ পাচত কালীকান্ত শৰ্ম্মা নামে এজনা অধ্যাপকে আনন্দৰামক ব্যাকৰণ শিক্ষা দিছিল।

আনন্দৰাম বৰুৱা সাত-আঠ বছৰ বয়সতে মাতৃহীন হয়। একেবাৰে লৰাকালত বৰুৱাদেৱে উত্তৰ গুৱাহাটীৰ গাৱঁলীয়া পঢ়াশালিত শিক্ষা লাভ কৰিছিল। তাৰ পাচত যেতিয়া অলপ বুজন হ'ল তেওঁৰ মৰমৰ ককাই-দেৱাক পৰশুৰাম বৰুৱাই ভায়েকইঁতৰ শিক্ষাৰ ভাৰ লৈ নিজৰ লগতে ৰাখিছিল। পৰশুৰামৰ ঘৰ আছিল গুৱাহাটীৰ উজান বজাৰত। কটন কলেজৰ ছাত্ৰাবাসৰ ওচৰত থকা খ্যাতনামা উকীল ললিতমোহন লাহিৰীৰ বাৰীখনতেই পৰশুৰামৰ ঘৰ আছিল বুলি মানুহে কয়। তেওঁ পোনতে গুৱাহাটীৰ ডিষ্টিলৰীত, পাচত জাহাজ কোম্পানীত এজেণ্টৰ কাম কৰিছিল। তেওঁৰ ঘৰতে থাকি আনন্দৰামে সৰুকালত গুৱাহাটীৰ স্কুলত পঢ়িছিল। এই পৰশুৰাম বৰুৱাই ভুটান যুদ্ধত বৃটিচ গৱৰ্ণমেণ্টক সহায় কৰিছিল।

১৮৬১ আৰু ১৮৬২ চনত গৰ্গৰাম বৰুৱা সদৰামিন হৈ গুৱালপাৰাত বাস কৰে। গুৱালপাৰা তেতিয়া সেই জিলাৰ সদৰ ঠাই আছিল। আৰু তাত থকা হাইস্কুলৰ হেডমাষ্টাৰ আছিল স্বৰ্গীয় সিন্ধুৰাম দাস। গুৱালপাৰাৰ দেশহিতৈষী মুক্তিয়াৰ শ্ৰীযুত হৰিপ্ৰসাদ নাথ ডাঙ্গৰীয়া তেতিয়া সেই গুৱালপাৰা হাইস্কুলৰ ছাত্ৰ আছিল। গুৱালপাৰাত থাকোঁতে আনন্দৰাম বৰুৱা পঢ়াশুনাত এজন বৰ মনোযোগী ছাত্ৰ আছিল। পঢ়াশুনাৰ বাদে তেওঁ আন কথালৈ মন-কাণ নিদিছিল। তেওঁ বৰ নিৰ্জ্জনতাপ্ৰিয় আছিল। সেই কাৰণে আনকৰুৱা ছাত্ৰৰ লগত মিলি হাইকাজিয়া কৰি ফুৰিবলৈ তেওঁ ভাল নাপাইছিল। ১৮৬৩ চনত

দেউতাকে চাকৰি এৰি পেঞ্চন লোৱাত আনন্দৰাম বৰুৱাই পুনৰ আহি গুৱাহাটী পালেহি, আৰু ককায়েক পৰশুৰাম বৰুৱাৰ লগতে থাকি তেওঁৰ তত্বাবধানত হাইস্কুলত পঢ়িবলৈ ধৰিলে।

পৰশুৰাম বৰুৱা এজন বৰ উদাৰ চৰিত্ৰৰ মানুহ আছিল, আৰু সেই-সময়ৰ নিষ্ঠাবান হিন্দুসমাজৰ নৈষ্ঠিকতাৰ ইমান বশ নাছিল। এওঁ সুৰাপান কৰিছিল। পৰশুৰামৰ লগৰীয়া বন্ধু আছিল অসমীয়া সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱা, মুন্সিপ লক্ষ্মীলাল বৰুৱা, স্বৰ্গীয় দুলালচন্দ্ৰ চৌধুৰী আৰু স্বগীয় চন্দ্ৰমোহন গোস্বামী। আমি শেষৰ জন ডাঙৰীয়াৰ মুখৰ পৰা শুনিছোঁ যে এওঁলোকৰ প্ৰতাপ গুৱাহাটীত বৰ বেচি আছিল, আৰু সকলোৱে এওঁলোকক মানি ভয় কৰি চলিছিল। এওঁলোকৰ প্ৰত্যেকৰে গাত মহত্বৰ লক্ষণ আছিল, নিজৰ কামৰ দ্বাৰাই হওঁক বা উন্নতিশীল সতি-সন্ততিৰ দ্বাৰাই হওক, এওঁলোকৰ প্ৰত্যেক জনে দেশত নাম ৰাখি যাব পাৰিছে।

পৰশুৰামৰ সংসৰ্গত আনন্দৰামৰ এটি অভ্যাস জন্মে। পৰশুৰাম বৰুৱাই নিজে সুৰাপান কৰিছিল আৰু ভাবিছিল সুৰাপান ডাঙৰ দোষৰ ভিতৰত গণ্য নহয়। সেইদেখি কেতিয়াবা নিজে বোটলৰ পৰা ঢালি "আনন্দি, হোঁ" বুলি আনন্দৰামক মদ যাচিছিল। লবালিত যে সুৰাপানৰ অভ্যাস হল সেই অভ্যাস আনন্দৰামৰ মৃত্যুৰ কাললৈকে আছিল বুলি মানুহৰ বিশ্বাস।

কিন্তু ই কু-অভ্যাসত আনন্দৰামৰ একাগ্ৰতাৰ লোপ নাপাইছিল। দেউতাকে সংস্কৃত পণ্ডিত ধৰি তেওঁক সৰুৰে পৰা সংস্কৃত পঢ়োৱাৰ কথা আমি কৈছোঁ। স্কুলত থাকোঁতেই তেওঁ অমৰকোষখন মুখস্থ কৰি পেলাইছিল, আৰু সংস্কৃত সাহিত্য, অলঙ্কাৰ আৰু ব্যাকৰণত ভাল ৰকমে ব্যুৎপত্তি লাভ কৰিছিল। আৰু সংস্কৃত পঢ়াত তেওঁৰ ইমান ধাউতি আছিল যে তেওঁ মুখে মুখে সদাই সংস্কৃত শ্লোককে আওৰাই থাকিছিল।

কোনোবাই কিবা কলে তেওঁ তাক পোনতে শুনিছিল। ককাইদেৰাক পৰশুৰামে মাজে মাজে সৰু ভায়েকৰ ইতুৰাই ঘৰুৱা কাম আদি কৰাইছিল। কেতিয়াবা 'আনন্দ, ধপাত লগা' বুলি কলে ধ্যান-নিবিষ্ট আনন্দৰামৰ ভালৈ কাণকে নগৈছিল, দুবাৰ তিনিবাৰৰ মূৰতহে তেওঁ ভালৈ কাণ দিছিল। উত্তৰ গুৱাহাটীৰ নামঘৰত মাজে মাজে যি ভাৱনা হৈছিল তাত সত্ৰবংশৰ লৰাসকলেও যোগ দিছিল; আনন্দৰামেও সৰুকালত তাৰ ভাৱনাত মাজে মাজে ভাও লৰ লগাত পৰিছিল। এইবোৰৰ মাজত পৰিও তেওঁৰ একনিষ্ঠ ধাউতিৰ কেতিয়াও লোপ নাপাইছিল। একাগ্ৰতাৰ বলত তেওঁ জগতত নাম ৰাখি থৈ যাব পাৰিছে। তেওঁ যেতিয়া চিভিলিয়ান হৈ দেশলৈ উভতি আহে মানুহে আচৰিত মানিছিল যে পৰশুৰামৰ ভায়েকে এনে এটি কাম সমাধা কৰিব পাৰিলে।

আনন্দৰামৰ দ্বিতীয় ককাইদেৰাক জানকীৰাম গুৱাহাটী হাইস্কুলৰ দ্বিতীয় শিক্ষক আছিল। তেওঁৰ পাণ্ডিত্যৰ বিষয়ে আনন্দৰামে নিজে সংস্কৃত শ্লোকেৰে লিপিবদ্ধ কৰি থৈ গৈছে। জানকীৰামে এখনি অসম বুৰঞ্জী ইংৰাজী ভাষাৰে লিখা আৰম্ভ কৰিছিল, কিন্তু তাক তেওঁ শেষ কৰি যাব নোৱাৰিলে। ১৮৬০ চনত জানকীৰাম আৰু আনন্দৰামৰ বৰ উৎকট জ্বৰ হয়। সেই জ্বৰত আনন্দৰামৰ ভাল হয়গৈ, কিন্তু ককাই-দেৰাক জানকীৰাম বৰুৱা সাম্নিক চৰি ১৯১৭ সংবত বা ১৮৬০ চনত ইহলোক পৰিত্যাগ কৰে। জানকীৰামক দেউতাকে বৰ ভাল পাইছিল, জানকীৰাম ঘৰ চলোৱাত বৰ পৈণত আছিল, আৰু সংসাৰী কথাত বাপেকৰ সোঁহাত আছিল। প্ৰথম পুত্ৰ পৰশুৰামে বাপেকৰ পৰা ইমান মৰম নেপাইছিল।

আনন্দৰাম বৰুৱা স্কুলত পঢ়া কালত গুৱাহাটীত এজন প্ৰজাপ্ৰিয় বৃটিছ বিষয়া বাস কৰিছিল, অসমৰ কমিচনাৰ মেজৰ-জেনেৰেল জেনকিন্‌চ,

জেন্‌কিন্স্ চাহাব। ১৮৬১ চনত কামৰ পৰা অৱসৰ লৈ এওঁ গুৱাহাটীতে বাস কৰিবলৈ ধৰে, আৰু ইয়াতে ১৮৬৭ চনত তেওঁৰ মৃত্যু হয়। এওঁৰ বাৰীখন আম-কঠাল, বগৰী, লেতেকু-পনিয়াল আদি ফলৰ গছৰে পৰিপূৰ্ণ আছিল। কৰ্ণেল জালন্থৰ আলি আহমদৰ মুখে আমি শুনিছোঁ। যে আনন্দৰামকে আদি কৰি স্কুলীয়া লৰাবিলাকে জেন্‌কিন্স্ চাহাবৰ বাৰীত সোমাই ফল আদি পাৰি খাইছিল। লৰাবিলাক বাৰীত সোমালে, চাহাবৰ আজ্ঞা অনুসৰি, তেওঁৰ পহৰীয়া বৰকান্দাজ নিত্যানন্দ আৰু হনুমানসিংহে হকা-বধা নকৰিছিল। জেন্‌কিন্স্ চাহাবে টকা-পইচা কিতাপ-কাগজ দিওঁ স্কুলীয়া ছাত্ৰক সহায় কৰিছিল।

গুৱাহাটীৰ তদানীন্তন সমাজত ভাল আদৰ্শৰ অভাৱৰ দোষতে হওঁক বা আন কাৰণতেই হওঁক আনন্দৰামে সককালত বিশেষ প্ৰতিভাৰ চিন নেদেখুৱাইছিল। বিশ্ববিদ্যালয়ত ওখ ঠাই অধিকাৰ কৰিলে যে বিশেষ সম্মান পোৱা যায় সেই সম্মানৰ আদৰ্শ অসমত তেতিয়ালৈকে ওপজা নাছিল। আনন্দৰামৰ আগতো তেনে আদৰ্শ কোনেও স্থাপন কৰা নাছিল। গুৱাহাটী স্কুলৰ হেড্‌মাষ্টাৰ আছিল জন্মেজয় দাস আৰু দ্বিতীয় শিক্ষক তাৰিণীপ্ৰসাদ ৰায়। জন্মেজয় দাসৰ শিক্ষাপ্ৰণালী অতি ওখ ধৰণৰ আছিল। সেই সময়ত তেওঁৰ ছাত্ৰ আছিল আনন্দৰাম বৰুৱা, ফটিকচন্দ্ৰ বৰুৱা, মানিকচন্দ্ৰ বৰুৱা, জালন্থৰ আলি আহমদ, বলীনাৰায়ণ বৰা, শিৱৰাম বৰা, মাধৱচন্দ্ৰ বৰদলৈ, ৰাধাচন্দ্ৰ বেজবৰুৱা আৰু ছেখাৱত আলি প্ৰভৃতি। বিলাতলৈ যোৱাৰ হেপাহৰ আদি বীজ এওঁৰেই পোনতে ছাত্ৰবৃন্দৰ মাজত সিঁচে। এওঁক অসমৰ ভূদেৱ মুখাৰ্জ্জি বুলি কলেও সৰহ কোৱা নহয়।

বৰুৱাদেৱৰ সৌভাগ্যৰ সূত্ৰত আৰু এজন আদৰ্শ শিক্ষক পাইছিল,— স্বৰ্গীয় চন্দ্ৰমোহন গোস্বামী। যোৱা আঠৈকুৰি বা তিনিকুৰি বছৰ ধৰি অসমত যি সকলে অলপ নহয় অলপ চিন ৰাখি যাব পাৰিছে তেওঁলোক